*Total number of printed pages–7*

**63/1 (SEM–4) SEC2/ASMSE4022**

**2025**

# ASSAMESE

Paper : ASMSE 4022

***( Uses of Language in Computer )***

*Full Marks : 50*

*Pass Marks : 20*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো পাঁচটাৰ)* ১×৫=৫

(ক) YouTube-এবিধ?

*(i)* ছপা মাধ্যম

*(ii)* কেৱল শ্ৰব্য মাধ্যম

*(iii)* দৃশ্য-শ্ৰব্য মাধ্যম

*(iv)* ওপৰৰ আটাইকেইটা

(খ) কম্পিউটাৰৰ মাউচত কেইটা বাটন (Button) থাকে?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* এটাও নহয়

(গ) email কি?

*(i)* এটি সামাজিক মাধ্যম

*(ii)* এটি ৰাজহুৱা যোগাযোগ মাধ্যম

*(iii)* এটি ব্যক্তিগত যোগাযোগ মাধ্যম

*(iv)* ওপৰৰ এটাও নহয়

(ঘ) লিটিকাই (Litikai 3.0) এবিধ —

*(i)* লিখন সঁজুলি

*(ii)* বানান পৰীক্ষক সঁজুলি

*(iii)* ভাষা পৰিৱৰ্তন সঁজুলি

*(iv)* ওপৰৰ এটাও নহয়

(ঙ) Unicode কি?

*(i)* এখন অনলাইন অভিধান

*(ii)* বিশেষ কিছুমান কম্পিউটাৰতহে লিখিব পৰা ব্যৱস্থা



*(iii)* সকলো কম্পিউটাৰতে দৃশ্যমান হোৱা এক লিখন ব্যৱস্থা

*(iv)* ওপৰৰ এটাও নহয়

(চ) ৰামধেনু কি?

*(i)* এবিধ ফণ্ট

*(ii)* এবিধ কীবৰ্ড বা লিখন সঁজুলি

*(iii)* এবিধ সামাজিক মাধ্যম

*(iv)* ওপৰৰ এটাও নহয়

(ছ) UPS হ'ল —

*(i)* কম্পিউটাৰৰ পৰিদৃশ্যমান স্ক্ৰীণ

*(ii)* আখৰ লিখাৰ বাবে ব্যৱহাৰ কৰা অংশ

*(iii)* মেম'ৰি সঞ্চয় কৰা অংগ

*(iv)* বিদ্যুৎ শক্তি যোগান ধৰা অংগ

(জ) তলৰ কোনটো সঁজুলি কম্পিউটাৰৰ সমল সৰবৰাহ (Data Transfer) বাবে ব্যৱহাৰ কৰা হয়?

*(i)* কী-বৰ্ড

*(ii)* পেন ড্ৰাইভ

*(iii)* মাউচ

*(iv)* স্পীকাৰ

(ঝ) CPU-ৰ সম্পূৰ্ণ অৰ্থ হ'ল —

*(i)* Central Processing Unit

*(ii)* Computer Processing Unit

*(iii)* Common Processing Unit

*(iv)* ওপৰৰ এটাও নহয়

(ঞ) কম্পিউটাৰৰ মেম'ৰিৰ আটাইতকৈ সৰু এককটো হ'ল?

*(i)* GB

*(ii)* MB

*(iii)* KB

*(iv)* TB

২। তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখাঁ : *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) দুখন অনলাইন আলোচনীৰ নাম লিখাঁ।

(খ) ৰামধেনু নামৰ লিখন সঁজুলিটো সকলো কম্বিউটাৰতে কাৰ্যকৰী হয়নে? ইয়াক ব্যৱহাৰ কৰিবলৈ কোনটো ছফ্টৱেৰৰ অপৰিহাৰ্য?



(গ) DTP কৰাৰ সময়ত ব্যৱহাৰ হোৱা **B** *I* U এই চিহ্নকেইটাৰ *যিকোনো দুটাৰ* কাম কি উল্লেখ কৰাঁ।

(ঘ) কম্পিউটাৰৰ *দুটা* ইনপুট সঁজুলিৰ নাম লিখাঁ।

(ঙ) ৰামধেনুত অসমীয়া আখৰ লিখিবলৈ আৰু সংখ্যা লিখিবলৈ কোন *দুটা* ফণ্টৰ ব্যৱহাৰ কৰা হয়?

(চ) ছফ্‌ট কপি (Soft Copy) আৰু হাৰ্ড কপি (Hard Copy)-ৰ মাজৰ পাৰ্থক্য কি?

(ছ) কম্পিউটাৰত MS Word-ত তলত দিয়া নিৰ্দেশ *দুটাই* কি কাম কৰে লিখাঁ :

Ctrl + S : ___________

Ctrl + P : ___________

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ : *(যিকোনো পাঁচটা)* ৫×৫=২৫

(ক) ভাৰতত বহুল প্ৰচলিত *পাঁচটা* কম্পিউটাৰ নিৰ্মাণকাৰী সংস্থাৰ নাম লিখাঁ।

(খ) Microsoft Excel আৰু Adobe Photoshop-ৰ ব্যৱহাৰসমূহ উল্লেখ কৰাঁ।

(গ) ফেচবুক, ব্লগ আদি সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ সুফলসমূহ লিখাঁ।

(ঘ) প্ৰযুক্তিৰ উন্নতিয়ে অসমীয়া ভাষাৰ সমৃদ্ধিত কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে আলোচনা কৰা।

(ঙ) কম্পিউটাৰত ব্যৱহাৰ হোৱা *পাঁচটা* এপ্লিকেশ্যনৰ নাম লিখা।

(চ) কম্পিউটাৰৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে চমুকৈ লিখা।

(ছ) সাম্প্ৰতিক কালত কম্পিউটাৰে মানুহৰ জীৱন-জিৱীকাক বিভিন্ন ধৰণে প্ৰভাৱিত কৰিছে, সেই বিষয়ত তোমাৰ অভিমত প্ৰকাশ হোৱাকৈ এটি আলোচনা যুগুত কৰা।

(জ) কম্পিউটাৰৰ অংগসমূহৰ নাম লিখি প্ৰতিটোৰে কাম কি চমুকৈ লিখা।

(ঝ) ইণ্টাৰনেটে যোগাযোগ ব্যৱস্থালৈ অনা পৰিৱৰ্তনসমূহ লিখা।

৪। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×১=১০

(ক) কম্পিউটাৰত অসমীয়া লিখবলৈ কি কি সঁজুলি বৰ্তমানে উপলব্ধ তাৰ এটি পৰিচয় আগবঢ়োৱা।

(খ) দৈনন্দিন জীৱনত কম্পিউটাৰৰ ব্যৱহাৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।



(গ) জ্ঞান-চৰ্চাৰ ক্ষেত্ৰখনত ইণ্টাৰনেট, কম্পিউটাৰ বা স্মাৰ্টফোন আদিয়ে কেনেকৈ পৰিৱৰ্তন আনিছে, সেই বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা।